**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 06-05-2025
**Time :** 0900 Hrs

***Assamese Morning Bulletin***
***Headlines***
**--------------------**

১। যুদ্ধকালীন পৰিস্থিতি সন্দৰ্ভত জনসাধাৰণৰ মাজত সজাগতা সৃষ্টিৰ বাবে কাইলৈ দেশৰ বিভিন্ন স্থানত সতৰ্কতামূলক অনুশীলন।

২। পঞ্চায়ত নিৰ্বাচনৰ কাইলৈ দ্বিতীয় পৰ্যায়ৰ ভোটগ্ৰহণৰ বাবে প্ৰস্তুতি সম্পূৰ্ণ। দায়িত্বত নিয়োজিত বিষয়া-কৰ্মচাৰীসকল ভোটকেন্দ্ৰলৈ ৰাওনা।

৩। ২০২৬ চনৰ বিধানসভা নিৰ্বাচনলৈ অগপ আৰু বিজেপিৰ মিত্ৰতা অটুত থাকিব বুলি মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাৰ প্ৰকাশ।

৪। মৰাণ জনগোষ্ঠীৰ বীৰত্ব, সাহস সমগ্ৰ ভাৰতবৰ্ষই অনুধাৱন কৰি আহিছে বুলি কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱালৰ মন্তব্য।

**আৰু**

৫। আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত আজি মুম্বাই ইণ্ডিয়ানছ, গুজৰাট টাইটানছৰ মুখামুখি।

০০০০০০

যুদ্ধকালীন পৰিস্থিতি সন্দৰ্ভত জনসাধাৰণৰ মাজত সজাগতা সৃষ্টিৰ বাবে কাইলৈ দেশৰ বিভিন্ন স্থানত সতৰ্কতামূলক অনুশীলন চলোৱা হ'ব। পেহেলগামত সন্ত্ৰাসবাদীয়ে পৰ্যটকৰ ওপৰত নৃশংস আক্ৰমণ চলোৱাৰ পাছত ভাৰত আৰু পাকিস্তানৰ মাজৰ সম্পৰ্কৰ চূড়ান্ত অৱনতি ঘটাৰ সময়তে কেন্দ্ৰীয় গৃহমন্ত্ৰালয়ে ৰাজ্যসমূহক জৰুৰী পৰিস্থিতিৰ বাবে সাজু থকাৰ নিৰ্দেশনা জাৰি কৰিছে। যিকোনো যুদ্ধকালীন পৰিস্থিতিত সন্মুখীন হোৱা সমস্যা সন্দৰ্ভত সৰ্বসাধৰণৰ মাজত সজাগতা সৃষ্টিৰ উদ্দেশ্যে কাইলৈ ৰাজ্যসমূহক এই সতৰ্কতামূলক অনুশীলন চলাবলৈ গৃহ মন্ত্ৰ্যালয়ে নিৰ্দেশ দিছে। মন্ত্ৰ্যালয়ে ৰাজ্য চৰকাৰসমূহক সাতটা বিষয়ত জনসাধাৰণৰ মাজত সচেতনতা বৃদ্ধিৰ পৰামৰ্শ আগবঢ়াইছে। বিমান আক্ৰমণৰ সময়ত চাইৰেন ব্যৱস্থাৰ সক্ৰিয়কৰণ, সাধাৰণ লোক বিশেষকৈ ছাত্ৰ-ছাত্ৰীৰ সুৰক্ষা নিশ্চিত কৰা, হঠাৎ বিদ্যুৎ কৰ্তন বা ব্লেক আউট হ'লে কি ব্যৱস্থা গ্ৰহণ কৰা হ'ব সেই বিষয়ত সজাগ কৰা আপাতকালীন পৰিস্থিতিত দ্ৰুত উদ্ধাৰ আৰু গুৰুত্বপূৰ্ণ কাৰখানা বা ঘাটিত নিৰাপত্তা নিশ্চিতকৰণ আদি বিষয়ত সজাগতা সৃষ্টিৰ বাবে মন্ত্ৰ্যালয়ে ৰাজ্য চৰকাৰসমূহক পৰামৰ্শ দিছে। উল্লেখযোগ্য যে, যোৱা ২২ এপ্ৰিলত পেহেলগামত সন্ত্ৰাসবাদীয়ে চলোৱা আক্ৰমণৰ পাছতে ভাৰতে বিভিন্ন কূটনৈতিক কৌশলেৰে পাকিস্তানৰ ওপৰত চাপৰ সৃষ্টি কৰি আহিছে। ভাৰত আৰু পাকিস্তানৰ মাজত যুদ্ধ উত্তেজনা চলি থকাৰ সময়তে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে বিগত তিনিদিন ধৰি প্ৰতিৰক্ষা মন্ত্ৰ্যালয় আৰু সেনাৰ শীৰ্ষ বিষয়াসকলৰ সৈতে সাম্প্ৰতিক পৰিস্থিতি সন্দৰ্ভত এখন পাছত আনখন গুৰুত্বপূৰ্ণ বৈঠকতো মিলিত হৈছে।

০০০০০০

পঞ্চায়ত নিৰ্বাচনৰ দ্বিতীয় তথা অন্তিম পৰ্যায়ৰ ভোটগ্ৰহণ কাইলৈ কৰা হ'ব। দ্বিতীয় পৰ্যায়ত ধুবুৰী, দক্ষিণ শালমাৰা-মানকাচৰ, গোৱালপাৰা, বঙাইগাঁও, বৰপেটা, বজালী, নলবাৰী, কামৰূপ, কামৰূপ মহানগৰ, হোজাই, নগাঁও, মৰিগাঁও আৰু দৰং জিলাত নিৰ্বাচন অনুষ্ঠিত হ'ব। এই পৰ্যায়ত ৯১ লাখ ৩১ হাজাৰ ১২৭ গৰাকী ভোটদাতাই ভোটৰ অধিকাৰ সাব্যস্ত কৰিব। ইয়াৰে পুৰুষ ভোটদাতা হ'ল ৪৬ লাখ ৩০ হাজাৰ ৯২৪ জন আৰু মহিলা ভোটদাতা হ'ল ৪৪ লাখ ৯৯ হাজাৰ ৯৫২ গৰাকী। দ্বিতীয় পৰ্যায়ত মুঠ ২৯ হাজাৰ ৬০৮ গৰাকী প্ৰাৰ্থীয়ে প্ৰতিদ্বন্দ্বিতা কৰিছে। ইয়াৰ ভিতৰত জিলা পৰিষদত ৪৯৫ গৰাকী, আঞ্চলিক পঞ্চায়তত দুহেজাৰ ৩৮৮ গৰাকী আৰু গাঁও পঞ্চায়ত সদস্য পদত ২৬ হাজাৰ ৭২৫ গৰাকী প্ৰাৰ্থীয়ে প্ৰতিদ্বন্দ্বিতা কৰিছে। ইতিমধ্যে এহেজাৰ ২৮৯ গৰাকী প্ৰাৰ্থী বিনা প্ৰতিদ্বন্দ্বিতাৰে নিৰ্বাচিত হৈছে। এই নিৰ্বাচনৰ বাবে মুঠ ১২ হাজাৰ ১৩০টা ভোটকেন্দ্ৰ স্থাপন কৰা হৈছে। ইতিমধ্যে ভোটগ্ৰহণ হ'বলগীয়া জিলাকেইখনলৈ প্ৰিজাইডিং আৰু প'লিং বিষয়াসকলে যাত্ৰা কৰিছে।

দ্বিতীয় পৰ্যায়ৰ নিৰ্বাচন শান্তিপূৰ্ণ আৰু নিকাভাৱে অনুষ্ঠিত কৰাৰ বাবে কালি ৰাজ্যিক নিৰ্বাচন আয়ুক্ত আলোক কুমাৰে ভিডিঅ' কনফাৰেন্সিং ব্যৱস্থাৰে গৃহ বিভাগৰ আৰক্ষী সঞ্চালক প্ৰধান, গুৱাহাটী মহানগৰীৰ আৰক্ষী আয়ুক্তকে ধৰি সংশ্লিষ্ট জিলাসমূহৰ আয়ুক্তসকলৰ সৈতে আলোচনাত মিলিত হয়। এই আলোচনাত আয়ুক্তগৰাকীয়ে ভোটগ্ৰহণৰ সময়ছোৱাত কোনো ধৰণৰ অপ্ৰীতিকৰ ঘটনা সংঘটিত নোহোৱাটো নিশ্চিত কৰাৰ লগতে নিকা আৰু শান্তিপূৰ্ণভাৱে নিৰ্বাচন অনুষ্ঠিত কৰাৰ ওপৰত গুৰুত্ব আৰোপ কৰে।

ইপিনে, কাইলৈ হ'বলগীয়া নিৰ্বাচনৰ বাবে জিলা প্ৰশাসনসমূহ সম্পূৰ্ণৰূপে সাজু হৈ উঠিছে। পঞ্চায়ত নিৰ্বাচনৰ পৰিপ্ৰেক্ষিতত জিলা প্ৰশাসনসমূহে কেতবোৰ নিষেধাজ্ঞা জাৰি কৰিছে। এই অনুসৰি যিকোনো ঠাইত ৫ জনতকৈ অধিক লোক সমবেত হোৱা, নিৰ্বাচনী কাম-কাজৰ বাবে কৰ্তৃত্বপ্ৰাপ্ত লোক বা আৰক্ষীৰ বাহিৰে অন্যান্য লোকৰ ভোটগ্ৰহণ কেন্দ্ৰৰ ১০০ মিটাৰ পৰিধিৰ ভিতৰত মোবাইল ফোনৰ ব্যৱহাৰ, ব্যক্তিগত সুৰক্ষাকৰ্মী থকা লোকক সুৰক্ষাকৰ্মীসহ ভোটগ্ৰহণ কেন্দ্ৰত প্ৰৱেশ আদি ক্ষেত্ৰত নিষেধাজ্ঞা আৰোপ কৰা হৈছে। একেদৰে, নিৰ্বাচন হ'বলগীয়া জিলাসমূহত কালি বিয়লি চাৰে ৪ বজাৰ পৰা ৭ মে'ৰ বিয়লি চাৰে ৪ বজালৈ সুৰা নিষিদ্ধ ঘোষণা কৰা হৈছে।

নলবাৰী জিলাৰ প্ৰশাসনেও কাইলৈ নিৰ্বাচনৰ বাবে প্ৰস্তুতি সম্পূৰ্ণ কৰিছে। এই সন্দৰ্ভত এয়া জিলাখনৰ পৰা আমাৰ সংবাদদাতা ৰমেন কলিতা –

-ভইচ-

কামৰূপ জিলাৰ ১৮ খন জিলা পৰিষদ, ৯৭ খন আঞ্চলিক পৰিষদ আৰু ৯১০ টা ৱাৰ্ড সদস্য পদৰ বাবে নিৰ্বাচন হ'ব। জিলাখনত এহেজাৰ ৫৩৯ টা ভোটকেন্দ্ৰত ভোটগ্ৰহণ কৰা হ'ব আৰু ইয়াৰে ৮০ টা ভোটকেন্দ্ৰ মহিলাৰ দ্বাৰা পৰিচালনা কৰা হ'ব। নিৰ্বাচন পৰিচালনাৰ বাবে নিয়োজিত ছহেজাৰ প্ৰিজাইডিং আৰু পোলিং বিষয়া পৰ্যায়ক্ৰমে নিজ নিজ ভোটকেন্দ্ৰলৈ ৰাওনা হৈছে। কামৰূপ মহানগৰ জিলাৰ অন্তৰ্গত বিভিন্ন অঞ্চলত পঞ্চায়ত নিৰ্বাচনৰ বাবে প্ৰশাসনে প্ৰস্তুতি প্ৰায় সম্পূৰ্ণ কৰিছে। এই সন্দৰ্ভত জিলাখনৰ পৰা আমাৰ সংবাদদাতা হেমন্ত বৰা –

-ভইচ-

নিৰ্বাচন হ'বলগীয়া জিলাসমূহত কাইলৈ ৰাজহুৱা বন্ধৰ দিন ঘোষণা কৰা হৈছে। এই অনুসৰি কাইলৈ জিলা পৰিষদ আৰু গাঁও পঞ্চায়ত এলেকাৰ সকলো শিক্ষানুষ্ঠান, চৰকাৰী- বেচৰকাৰী কাৰ্যালয়, বেংক তথা অন্যান্য বিত্তীয় প্ৰতিষ্ঠান, চাহ বাগিচা আদি বন্ধ থাকিব।

০০০০০০

২০২৬ চনৰ বিধানসভা নিৰ্বাচনলৈ অগপ আৰু বিজেপিৰ মিত্ৰতা অটুত থাকিব। বজালীত কালি মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই এই কথা ঘোষণা কৰে। বজালীত এখন নিৰ্বাচনী সভাত অংশগ্ৰহণৰ পাছত সংবাদ মাধ্যমৰ সৈতে হোৱা কথাবতৰাত মুখ্যমন্ত্ৰীগৰাকীয়ে লগতে কয়, যে মিত্ৰতা অটুত থাকিলেও পৰৱৰ্তী বিধানসভা নিৰ্বাচনত আসনৰ সংখ্যা কম-বেছি হ'ব পাৰে। ইপিনে বিটিআৰৰ আসন্ন নিৰ্বাচনৰ প্ৰসংগত সাংবাদিকে সোধা প্ৰশ্নৰ উত্তৰত মুখ্যমন্ত্ৰীগৰাকীয়ে মিত্ৰতা নহ'বও পাৰে বুলি জানিবলৈ দিয়ে। অৱশ্যে বিটিআৰ নিৰ্বাচনত বিজেপি আৰু ইউ পি পি এলে বন্ধুত্বমূলক প্ৰতিদ্বন্দ্বিতা কৰিব বুলিও তেওঁ জানিবলৈ দিয়ে।

০০০০০০

তিনিচুকীয়া জিলাৰ ডুমডুমাৰ ৰজা ৰমাকান্ত সমন্বয় ক্ষেত্ৰত কালিৰেপৰা দুদিনীয়াকৈ সদৌ মৰাণ ছাত্ৰ সন্থাৰ ৫৭ সংখ্যক প্ৰতিষ্ঠা দিৱস উদযাপন কৰা হৈছে। এই অনুষ্ঠানত ৰাজ্যৰ বিভিন্ন প্ৰান্তৰ মৰাণ জনগোষ্ঠীৰ লোকসকলে অংশ লৈছে। কেন্দ্ৰীয় প্ৰতিষ্ঠা দিৱসৰ পতাকা উত্তোলনেৰে কালি অনুষ্ঠানৰ শুভাৰম্ভ কৰা হয়। কালিৰ অনুষ্ঠানত অংশ লৈ কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱালে মৰাণ জনগোষ্ঠীৰ বীৰত্ব, একাগ্ৰতা, নিষ্ঠা, নিৰ্ভীকতা আৰু সাহসিকতা কেৱল অসমেই নহয়, সমগ্ৰ ভাৰতবৰ্ষই অনুধাৱন কৰি আহিছে বুলি মন্তব্য কৰে। সদৌ মৰাণ ছাত্ৰ সন্থাই সুদীৰ্ঘ দিন ধৰি জনগোষ্ঠীটোৰ মৌলিক সমস্যাসমূহৰ সমাধানৰ বাবে আপোচবিহীনভাৱে সবল ভূমিকা পালন কৰাৰ উপৰি অসমৰ জাতীয় অস্তিত্ব ৰক্ষাৰ ক্ষেত্ৰতো অৰিহণা যোগাই আহিছে বুলি শ্ৰী সোণোৱালে প্ৰকাশ কৰে। জনগোষ্ঠীটোৰ যুৱ-প্ৰজন্মৰ দক্ষতা, যোগ্যতা আৰু পাৰদৰ্শিতাৰ স্ব-মূল্যায়নেৰে তেওঁলোকে নিজকে উজ্বলাই তোলাৰ বাবে প্ৰচেষ্টা গ্ৰহণ কৰা উচিত বুলি মন্ত্ৰীগৰাকীয়ে মন্তব্য কৰে। কালিৰ অনুষ্ঠানত গ্ৰন্থমেলা মুকলি, অধ্যয়নচক্ৰ, আলোচনা সত্ৰ, মৰাণ ছাত্ৰ সন্থাৰ মুখপত্ৰ গান্ধৈ উন্মোচন, মৰাণঘৰ উন্মোচন আৰু মুকলি সভা অনুষ্ঠিত হয়। হাজাৰ হাজাৰ বিহুৱা-নাচনীয়ে গছ তলৰ বিহু পৰিৱেশন কৰে। দিনৰ ভাগত এহেজাৰ আয়তীয়ে খেৰি পৰিৱেশন কৰে।

অনুষ্ঠানত বিধায়ক বলিন চেতীয়া, পোনাকণ বৰুৱা, পৰ্যটন উন্নয়ন নিগমৰ অধ্যক্ষ ঋতুপৰ্ণ বৰুৱাকে ধৰি ভালেসংখ্যক বিশিষ্ট ব্যক্তি উপস্থিত থাকে। আজিৰ অনুষ্ঠানত শিক্ষা মন্ত্ৰী ডাঃ ৰণোজ পেগুক বদৌচা সমন্বয় বঁটা প্ৰদান কৰাৰ লগতে সাংস্কৃতিক শোভাযাত্ৰা উলিওৱা হ'ব। মৰাণ জনগোষ্ঠীৰ অন্যতম ঐতিহ্যমণ্ডিত ৰাতি বিহুৰ অনুষ্ঠানত আজি মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা মুখ্য অতিথি হিচাপে উপস্থিত থাকিব।

০০০০০০

অসম চৰকাৰৰ মাধ্যমিক শিক্ষা সঞ্চালকালয়ে বেংক একাউণ্টৰ তথ্যৰ বিসংগতিৰ বাবে ৰাজ্যৰ এহেজাৰ ৩৬১ গৰাকী শিক্ষাৰ্থীক আনন্দৰাম বৰুৱা নগদ ধন আঁচনিৰ ধন প্ৰদান কৰিব পৰা নাই বুলি প্ৰকাশ কৰিছে। ইয়াৰ পৰিপ্ৰেক্ষিতত শিক্ষা সঞ্চালক মমতা হোজায়ে সকলো জিলাৰ বিদ্যালয়ৰ পৰিদৰ্শকলৈ পত্ৰ প্ৰেৰণ কৰি নিজ নিজ শিক্ষানুষ্ঠানৰ শিক্ষাৰ্থীসকলৰ একাউণ্টৰ তথ্যসমূহ শুদ্ধকৈ প্ৰেৰণ কৰিবলৈ নিৰ্দেশ দিছে। ২০২৪ বৰ্ষত হাইস্কুল শিক্ষান্ত পৰীক্ষাত ৭৫ শতাংশ বা ততোধিক নম্বৰ লাভ কৰা ৰাজ্যৰ মুঠ ২৬ হাজাৰ ৯৬৯ গৰাকী শিক্ষাৰ্থী আনন্দৰাম বৰুৱা বঁটাৰ বাবে যোগ্য বিবেচিত হৈছিল। কিন্তু বেংক একাউণ্টৰ তথ্যৰ

বিসংগতিৰ বাবে  বিভিন্ন জিলাৰ এহেজাৰ ৩৬১ গৰাকী শিক্ষাৰ্থী বৰ্তমানলৈকে এই ধন লাভৰ পৰা বঞ্চিত হৈ আছে।

০০০০০০

অসম ডাউন টাউন বিশ্ববিদ্যালয়ে বিশ্ববিদ্যালয়ে অহা ১৩ মে'ত বিশিষ্ট প্ৰকাশক হৰিনাৰায়ণ দত্ত বৰুৱা স্মাৰক বক্তৃতানুষ্ঠানৰ আয়োজন কৰিছে। 'বৰগীতৰ সাংগীতিক পৰম্পৰা' শীৰ্ষক এই বক্তৃতা বিশিষ্ট সংগীত শিল্পী তথা বৰগীতৰ গৱেষক-শিক্ষাবিদ ড° পৰিত্ৰপ্ৰাণ গোস্বামীয়ে আগবঢ়াব। হৰিনাৰায়ণ দত্তবৰুৱা সম্পাদিত আৰু প্ৰকাশিত বৰগীতৰ প্ৰকাশৰ হীৰক জয়ন্তী বৰ্ষৰ সৈতে আয়োজিত এই অনুষ্ঠানত ড° ৰুবী গোস্বামী সম্পাদিত হৰি নাৰায়ণ দত্ত বৰুৱাৰ জীৱন আৰু কৃতি বিষয়ক এটা প্ৰৱন্ধ সংকলন উন্মোচন কৰা হ'ব। এই অনুষ্ঠানতে উৎপল দত্তই নিৰ্মাণ কৰা 'হৰি নাৰায়ণ নৱ জাগৰণৰ ব্যক্তিগৰাকী' নামৰ তথ্য চিত্ৰখন প্ৰথমবাৰৰ বাবে প্ৰদৰ্শন কৰা হ'ব।

০০০০০০

ৰাজ্য চৰকাৰৰ বিদ্যালয় শিক্ষা বিভাগে শিক্ষকসকলৰ বদলিকৰণৰ বাবে অনলাইন আবেদনৰ সময়সীমা ২০ মে'লৈ বৃদ্ধি কৰিছে। এই সন্দৰ্ভত বিদ্যালয় শিক্ষা বিভাগৰ সচিব নাৰায়ণ কোঁৱৰে জাৰি কৰা নিৰ্দেশনা অনুসৰি প্ৰাথমিক, মাধ্যমিক শিক্ষা সঞ্চালকালয় আৰু সমগ্ৰ শিক্ষাৰ অধীনৰ শিক্ষকসকলে একক অথবা পাৰস্পৰিক বদলিৰ বাবে WWW.HRMSASSAM.IN প'ৰ্টেলৰ জৰিয়তে ২০ মে'ৰ মাজ নিশাপৰ্যন্ত আবেদন কৰিব পাৰিব। এই ক্ষেত্ৰত কোনোধৰণৰ অফলাইন আবেদন পত্ৰ গ্ৰহণ কৰা নহ'ব বুলি নিৰ্দেশনাটোত উল্লেখ কৰা হৈছে।

০০০০০০

আই পি এল ক্ৰিকেট প্ৰতিযোগিতাৰ দেলহী কেপিটেলছ আৰু ছানৰাইজাৰ্ছ হায়দৰাবাদৰ মাজত যোৱা নিশা হায়দৰাবাদত অনুষ্ঠিত খেলখন বৰষুণৰ বাবে ইনিংছ ব্ৰেকৰ সময়ত পৰিত্যক্ত ঘোষিত হয়। ফলত দুয়োটা দলেই এক পইণ্টকৈ লাভ কৰে যদিও প্লে অফ পৰ্যায়ৰ দৌৰৰ পৰা হায়দৰাবাদে বিদায় লয়। ইপিনে দেলহী কেপিটেলছ সম্প্ৰতি পইণ্ট তালিকাৰ পঞ্চম স্থানত আছে।

কালিৰ খেলখনত প্ৰথমে বেট ধৰাৰ আমন্ত্ৰণ লাভ কৰি দিল্লীয়ে নিৰ্ধাৰিত ২০ অভাৰত ৭টা উইকেট হেৰুৱাই ১৩৩ ৰান সংগ্ৰহ কৰে। হায়দৰাবাদৰ অধিনায়ক পেট কামিন্সে ৩টা উইকেট দখল কৰে। অৱশ্যে বৰষুণৰ বাবে হায়দৰাবাদ বেট ধৰাৰ পৰা বঞ্চিত হয়।

প্ৰতিযোগিতাত আজি মুম্বাইৰ ৱাংখেড়ে ষ্টেডিয়ামত মুম্বাই ইণ্ডিয়ানছ গুজৰাট টাইটানছৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। খেলখন সন্ধিয়া চাৰে ৭ বজাত আৰম্ভ হ'ব।

০০০০০০

## NPR

ভাৰতৰ প্ৰতিৰক্ষাৰ লগত জড়িত গুৰুত্বপূৰ্ণ তথ্য হৰলুকি কৰা বুলি পাকিস্তানী হেকাৰে দাবী কৰিছে। **অসমীয়া প্ৰতিদিন** কাকতে এই বাতৰিটো 'ভাৰতৰ মিলিটেৰী ইঞ্জিনীয়াৰিং ছাৰ্ভিচৰ তথ্য চুৰি পাকিস্তানৰ' শিৰোনামেৰে প্ৰকাশ কৰিছে।

**দৈনিক অসম** কাকতে পেহেলগামত সংঘটিত নৰমেধৰ আঁৰত থকা পাকিস্তানক আক্ৰমণৰ পৰিকল্পনা চূড়ান্ত কৰাৰ উদ্দেশ্যে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী, প্ৰতিৰক্ষা বাহিনীৰ মুৰববী আৰু বিষয়ববীয়াসকলৰ সৈতে ধাৰাবাহিক বৈঠকত মিলিত হোৱাৰ বাতৰি প্ৰকাশ কৰিছে।

উৎকোচ লোৱাৰ অভিযোগত অইল ইণ্ডিয়া লিমিটেডৰ শীৰ্ষ পদবীত অধিষ্ঠিত উপ-মহা প্ৰবন্ধক প্ৰয়াস চক্ৰৱৰ্তীক চি বি আইৰ জালত পৰিছে। এই বাতৰি **দৈনিক জনমভূমি** কাকতৰ।

চলিত বৰ্ষৰ উচ্চতৰ মাধ্যমিক একাদশ শ্ৰেণীৰ পৰীক্ষাৰ এদিন পূৰ্বেই সামাজিক মাধ্যমত প্ৰশ্নকাকত ভাইৰেল হৈ পৰিছিল। শিক্ষা বিভাগে প্ৰশ্নকাকত ফাদিলৰ ঘটনাৰ সৈতে জড়িত কেইবাখনো চৰকাৰী শিক্ষানুষ্ঠানৰ কেইবাগৰাকী অধ্যক্ষ তথা বিষয় শিক্ষকক নিলম্বন কৰিছে। এই বাতৰি **আমাৰ অসম** কাকতৰ।

কামৰূপ জিলাৰ ৰামপুৰ মৌজাৰ প্ৰখ্যাত দৰাবিলৰ লগত সংলগ্ন গো-চৰণীয়া পথাৰৰ ডেৰশ বিঘা মাটি লজিষ্টিক পাৰ্ক স্থাপনৰ বাবে কলকাতাৰ কোম্পানীক গতাই দিয়া হৈছে। **দৈনিক অগ্ৰদূত** কাকতে এই বাতৰিত আলোকপাত কৰিছে।

ৰাজ্য চৰকাৰৰ দুৰ্নীতি বিৰোধী অভিযানৰ অংশ হিচাপে কৰ পৰিদৰ্শক বেদব্ৰত শইকীয়াৰ অট্টালিকাত চি এম ভিজিলেন্সৰ অভিযান চলিছে। এই বাতৰি **অসমীয়া খবৰ** কাকতৰ।

সামগ্ৰীৰ ওপৰত শুল্ক প্ৰয়োগৰ পাছত বহিঃৰাষ্ট্ৰত নিৰ্মিত চলচ্চিত্ৰ আমেৰিকাত মুক্তি দিলে নতুন নিৰিখৰ শুল্ক আদায় দিব লাগিব। আমেৰিকাৰ ৰাষ্ট্ৰপতি ড'নাল্ড ট্ৰাম্পৰ ঘোষণাৰে **নিয়মীয়া বাৰ্তা** কাকতে এটা বাতৰি প্ৰকাশ কৰিছে।

সন্ত্ৰাসবাদ বিৰোধী যুঁজত জাপানে ভাৰতৰ সৈতে সহযোগিতা আগবঢ়োৱাৰ প্ৰতিশ্ৰুতি দিছে। 'জাপান বেক্‌চ ইণ্ডিয়া এগেইনষ্ট টেৰৰ এক্টচ' শিৰোনামেৰে **দি আছাম ট্ৰিবিউন** কাকতে বাতৰি প্ৰকাশ কৰিছে।

অসমৰ ৰাষ্ট্ৰীয় ঘাইপথসমূহৰ ৫০ শতাংশতকৈও অধিক এক বা দুই লেনযুক্ত। অসমৰ ৰাষ্ট্ৰীয় ঘাইপথসমূহৰ সামগ্ৰিক অৱলোকনেৰে **দা ছেণ্টিনেল** কাকতৰ বাতৰিৰ শিৰোনাম '**অভাৰ ফিফ্‌টি পাৰচেণ্ট অফ নেচনেল হাইৱেজ ইন আছাম ষ্টীল টু লেন অৰ লেচ**'।

এতিয়া আহক পুনৰ বাতৰিৰ মাজলৈ ঘূৰি যাওঁ।

০০০০০০

বতৰৰ বতৰা–

স্থানীয় বতৰৰ আগলি বতৰা অনুসৰি অহা ২৪ ঘণ্টাত গুৱাহাটী আৰু ইয়াৰ উপকণ্ঠ অঞ্চলত বতৰ আংশিকভাৱে ডাৱৰীয়া হৈ থকাৰ লগতে পাতলীয়া বৰষুণৰ সম্ভাৱনা আছে। আজি গুৱাহাটীৰ তাপমাত্ৰা সৰ্বোচ্চ ৩৪ ডিগ্ৰী ছেলছিয়াছ আৰু সৰ্বনিম্ন তাপমাত্ৰা ২২ ডিগ্ৰী ছেলছিয়াছ হ'ব পাৰে বুলি বৰঝাৰৰ আঞ্চলিক বতৰ বিজ্ঞান কেন্দ্ৰই আগজাননী দিছে।

এই সময়ছোৱাত অৰুণাচল প্ৰদেশ, অসম আৰু মেঘালয়ৰ ঠাই বিশেষে মজলীয়া বৰষুণ হোৱাৰ সম্ভাৱনা আছে বুলি আগলি বতৰা দিছে।

০০০০০০

সমাপ্ত